# নতুন চাকৰিপ্ৰাৰ্থীৰ বাবে সুযোগ

অসম শক্তি বিতৰণ কোম্পানী লিমিটেড (এ পি ডি চি এল) – www.apdcl.org
অসম বিদ্যুৎ গ্ৰিড নিগম লিমিটেড (এ ই জি চি এল) – www.aegcl.org
অসম শক্তি উৎপাদন কোম্পানী লিমিটেড (এ পি জি চি এল) – www.apgcl.org
বিজুলী ভৱন, পল্টন বজাৰ, গুৱাহাটী-১

নিযুক্তি জাননী নম্বৰ : MD/APDCL/HR/REC (2017-18)/2017/85/119
dated 14.08.2018

নিম্নোক্ত পদসমূহৰ কাৰণে আবেদন বিচৰা হৈছেঃ

- সহাকাৰী গাণনিক বিষয়া
- অফিচ তথা ফিল্ড এছিষ্টেন্ট
- লঘু যান চালক
- সহায়ক

অনলাইন আবেদন প্ৰণালীৰ
আৰম্ভণিঃ ১৮ আগষ্ট, ২০১৮

অনলাইন আবেদন প্ৰণালীৰ
সমাপ্তিঃ ১২ ছেপ্টেম্বৰ, ২০১৮

এ পি ডি চি এল, এ ই জি চি এল আৰু এ পি জি চি এলৰ নিম্নোক্ত পদসমূহত নিযুক্তিৰ বাবে উপযুক্ত অৰ্হতাসম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে।

## ১. এ এ অ' (Assistant Accounts Officer) – সহকাৰী গাণনিক বিষয়া

পদৰ সংখ্যা

| কোম্পানীৰ নাম | ইউ আৰ | অ বি চি / এম অ বি চি | এছ টি (পি) | এছ চি | এছ টি (এইচ) | পি ডব্লিউ ডি | মুঠ |
|---|---|---|---|---|---|---|---|
| এ পি ডি চি এল | ১৭ | ৯ | ৪ | ২ | ২ | ১ (এল ডি) | ৩৫ |
| এ পি জি চি এল | ৪ | ৩ | ১ | ১ | ১ | ০ | ১০ |
| এ ই জি চি এল | ৭ | ৪ | ২ | ১ | ১ | ০ | ১৫ |
| মুঠ | ২৮ | ১৬ | ৭ | ৪ | ৪ | ১ | ৬০ |

কামৰ বিৱৰণঃ একাউন্ট, বাজেট, বিন্যস্তকৰণ (Compilation), বিল, অডিট, জি এ ডি সম্পৰ্কীয় কাম আৰু নিয়ন্ত্ৰক বিষয়াই সময়ে সময়ে অনুমোদন দিয়া কাম।

প্ৰয়োজনীয় শৈক্ষিক অৰ্হতাঃ কোনো স্বীকৃত বিশ্ববিদ্যালয়ৰ পৰা কলা, বিজ্ঞান বা বাণিজ্য বিষয়ত স্নাতক ডিগ্ৰী। বি কমত সকলো বিষয় মিলি নিম্নতম ৫৫% বা তাৰ সম পৰ্য্যায়ৰ নম্বৰ বা অনাৰ্ছ / মেজৰ বিষয়ত (বি কম) ৫৫% বা তাৰ সম পৰ্য্যায়ৰ নম্বৰ, বা কলা বা বিজ্ঞান শিক্ষাত গণিত বা পৰিসংখ্যা বিজ্ঞানক এটা বিষয় হিচাপে লৈ নিম্নতম ৫৫% বা তাৰ সম পৰ্য্যায়ৰ নম্বৰ বা গণিত / পৰিসংখ্যা বিজ্ঞান বিষয়ত অনাৰ্ছ লৈ (বি এ / বি এছ চি) নিম্নতম ৫৫% বা তাৰ সম পৰ্য্যায়ৰ নম্বৰ।

বিভাগীয় প্ৰাৰ্থীৰ (এ পি ডি চি এল / এ পি জি চি এল / এ ই জি চি এলৰ কৰ্মচাৰী) ক্ষেত্ৰত আৰু অনুসূচীত জাতি / অনুসূচীত জনজাতিৰ ক্ষেত্ৰত নিম্নতম নম্বৰ স্নাতক ডিগ্ৰীৰ পৰীক্ষাত ৫০% হ'লেও হ'ব।

কম্পিউটাৰৰ জ্ঞানঃ প্ৰাৰ্থীৰ কম্পিউটাৰ এপ্লিকেছনৰ ক্ষেত্ৰত জ্ঞান থাকিব লাগিব আৰু লগতে কম্পিউটাৰ এপ্লিকেছনৰ ক্ষেত্ৰত কমেও তিনিমহীয়া পাঠ্যক্ৰমৰ ডিপ্লমা চাৰ্টিফিকেট থকাটো প্ৰয়োজনীয়।

বয়সৰ সীমাঃ

ক) ০১.০১.২০১৮ তাৰিখত ২১ ৰ পৰা ৪৪ বছৰ।

খ) অ বি চি / এম অ বি চিৰ প্ৰাৰ্থীৰ ক্ষেত্ৰত, বয়সৰ উচ্চ সীমা ৪৭ বছৰলৈ ৰেহাই দিয়া হ'ব।

গ) এছ চি / এছ টি প্ৰাৰ্থীৰ ক্ষেত্ৰত, বয়সৰ উচ্চ সীমা ৪৯ বছৰলৈ ৰেহাই দিয়া হ'ব।

ঘ) বিভাগীয় প্ৰাৰ্থীৰ ক্ষেত্ৰত, বয়সৰ উচ্চ সীমা ৪৫ বছৰলৈ ৰেহাই দিয়া হ'ব।

## ২. অফিচ তথা ফিল্ড এছিষ্টেন্ট

পদৰ সংখ্যা

| কোম্পানীৰ নাম | ইউ আৰ | অ বি চি / এম অ বি চি | এছ টি (পি) | এছ চি | এছ টি (এইচ) | পি ডব্লিউ ডি | মুঠ |
|---|---|---|---|---|---|---|---|
| এ পি ডি চি এল | ৩২৪ | ২৬৩ (বি এল-২) | ১৪৩ (বি এল – ৪৬) | ১০৫ (বি এল-৩৭) | ৯০ (বি এল-৪২) | ৪৩ (এইচ আই-১৪, এল ডি-২৯, বি এল-১৪) | ৯৬৮ |
| এ পি জি চি এল | ৬ | ৩ | ১ | ১ | ০ | ০ | ১১ |
| এ ই জি চি এল | ১০ | ৬ | ২ | ১ | ১ | ১ (এইচ আই) | ২১ |
| মুঠ | ৩৪০ | ২৭২ | ১৪৬ | ১০৭ | ৯১ | ৪৪ | ১০০০ |

কামৰ বিৱৰণঃ মিটাৰ ৰীডিং সংগ্ৰহ, বিল প্ৰস্তুত আৰু বিতৰণ, ডাটা কম্পিউটাৰত ভৰোৱাৰ দায়িত্ব, ভঁৰালৰ তত্বাৱধান, পাৰ্ছনেল, এছটাব্লিছমেন্ট, প্ৰশিক্ষণ, গ্ৰাহক আৰু ফিল্ড আৰু কৰ্পৰেট কাৰ্য্যালয়ৰ বিভিন্ন বিষয় চোৱাচিতা আৰু নিয়ন্ত্ৰক বিষয়াই সময়ে সময়ে দিয়া দায়িত্ব পালন।

প্ৰয়োজনীয় শৈক্ষিক অৰ্হতাঃ উচ্চতৰ মাধ্যমিক পৰীক্ষা বা চৰকাৰীভাবে অনুমোদিত সমপৰ্য্যায়ৰ পৰীক্ষাত উত্তীৰ্ণ।

<u>কম্পিউটাৰৰ জ্ঞানঃ</u> প্ৰাৰ্থীৰ কম্পিউটাৰ এপ্লিকেছনৰ ক্ষেত্ৰত জ্ঞান থাকিব লাগিব আৰু লগতে কম্পিউটাৰ এপ্লিকেছনৰ ক্ষেত্ৰত কমেও তিনিমহীয়া পাঠ্যক্ৰমৰ ডিপ্লমা চাৰ্টিফিকেট থকাটো প্ৰয়োজনীয়।

<u>বয়সৰ সীমাঃ</u>
ক) ০১.০১.২০১৮ তাৰিখত ১৮ ৰ পৰা ৪৪ বছৰ।
খ) অ বি চি / এম অ বি চিৰ প্ৰাৰ্থীৰ ক্ষেত্ৰত, বয়সৰ উচ্চ সীমা ৪৭ বছৰলৈ ৰেহাই দিয়া হ'ব।
গ) এছ চি / এছ টি প্ৰাৰ্থীৰ ক্ষেত্ৰত, বয়সৰ উচ্চ সীমা ৪৯ বছৰলৈ ৰেহাই দিয়া হ'ব।
ঘ) বিভাগীয় প্ৰাৰ্থীৰ ক্ষেত্ৰত, বয়সৰ উচ্চ সীমা ৪৫ বছৰলৈ ৰেহাই দিয়া হ'ব।

## ৩. লঘু যান চালক (Light Vehicle Driver)

<u>পদৰ সংখ্যা</u>

| কোম্পানীৰ নাম | ইউ আৰ | অ বি চি / এম অ বি চি | এছ টি (পি) | এছ চি | এছ টি (এইচ) | মুঠ |
|---|---|---|---|---|---|---|
| এ পি ডি চি এল | ১২ | ৭ | ৩ | ২ | ১ | ২৫ |

<u>কামৰ বিৱৰণঃ</u> অনুমোদন কৰা গাড়ী পৰিষ্কাৰ কৰা। নিয়ন্ত্ৰক বিষয়াৰ প্ৰয়োজন আৰু সন্তুষ্টি অনুসৰি অনুমোদিত গাড়ী চলোৱা।

<u>প্ৰয়োজনীয় অৰ্হতাঃ</u> হাইস্কুল শিক্ষান্ত পৰীক্ষা বা চৰকাৰীভাবে অনুমোদিত সমপৰ্য্যায়ৰ পৰীক্ষাত উত্তীৰ্ণ। কমেও দুবছৰৰ বৃত্তিগত গাড়ী চলোৱাৰ অনুজ্ঞাপত্ৰ থাকিব লাগিব আৰু ট্ৰেফিক নীতি-নিয়মৰ জ্ঞান আৰু এল এম ভি / এইছ এম ভি চলোৱাৰ অভিজ্ঞতা থাকিব লাগিব।

<u>বয়সৰ সীমাঃ</u>
ক) ০১.০১.২০১৮ তাৰিখত ১৮ ৰ পৰা ৪৪ বছৰ।
খ) অ বি চি / এম অ বি চিৰ প্ৰাৰ্থীৰ ক্ষেত্ৰত, বয়সৰ উচ্চ সীমা ৪৭ বছৰলৈ ৰেহাই দিয়া হ'ব।
গ) এছ চি / এছ টি প্ৰাৰ্থীৰ ক্ষেত্ৰত, বয়সৰ উচ্চ সীমা ৪৯ বছৰলৈ ৰেহাই দিয়া হ'ব।
ঘ) বিভাগীয় প্ৰাৰ্থীৰ ক্ষেত্ৰত, বয়সৰ উচ্চ সীমা ৪৫ বছৰলৈ ৰেহাই দিয়া হ'ব।

## ৪. সহায়কঃ

<u>পদৰ সংখ্যা</u>

| কোম্পানীৰ নাম | ইউ আৰ | অ বি চি / এম অ বি চি | এছ টি (পি) | এছ চি | এছ টি (এইচ) | মুঠ |
|---|---|---|---|---|---|---|
| এ পি ডি চি এল | ১০২ | ১৬৭ | ১৫৪ (বি এল-৯২) | ১০২ (বি এল-৫৯) | ৯৫ (বি এল-৬৪) | ৬২০ |
| এ পি জি চি এল | ২৬ | ১৪ | ৬ (বি এল-১) | ১৪ (বি এল-১) | ২ | ৫২ |
| এ ই জি চি এল | ১০২ | ৫৪ | ২০ | ১৪ | ১০ | ২০০ |
| মুঠ | ২৩১ | ২৭২ | ১৮০ | ১২০ | ১০৭ | ৮৭২ |

<u>কামৰ বিৱৰণঃ</u> তেওঁলোকে বিভিন্ন বৈদ্যুতিক উপকেন্দ্ৰ / বিতৰণ আৰু প্ৰবহন লাইন / উৎপাদন কেন্দ্ৰ আদিৰ বৈদ্যুতিক / যান্ত্ৰিক / চিভিল আদি ভিন ভিন ক্ষেত্ৰৰ কামত সহায় কৰিব লাগিব আৰু লগতে নিয়ন্ত্ৰক বিষয়াই সময়ে সময়ে দিয়া দায়িত্ব পালন কৰিব লাগিব।

<u>প্ৰয়োজনীয় শৈক্ষিক অৰ্হতাঃ</u>
ক) এ পি ডি চি এলৰ বাবেঃ হাইস্কুল শিক্ষান্ত পৰীক্ষা বা সমপৰ্য্যায়ৰ পৰীক্ষাত উত্তীৰ্ণ। লগতে অসম চৰকাৰৰ দ্বাৰা অনুমোদিত আই টি আইৰ পৰা ৱায়াৰমেন / ইলেকট্ৰিচিয়ান শাখাত চাৰ্টিফিকেট।
খ) এ ই জি চি এলৰ বাবেঃ হাইস্কুল শিক্ষান্ত পৰীক্ষা বা সমপৰ্য্যায়ৰ পৰীক্ষাত উত্তীৰ্ণ। লগতে অসম চৰকাৰৰ দ্বাৰা অনুমোদিত আই টি আইৰ পৰা ফিটাৰ / ইলেকট্ৰিচিয়ান শাখাত চাৰ্টিফিকেট।
গ) এ পি জি চি এলৰ বাবেঃ হাইস্কুল শিক্ষান্ত পৰীক্ষা বা সমপৰ্য্যায়ৰ পৰীক্ষাত উত্তীৰ্ণ। লগতে অসম চৰকাৰৰ দ্বাৰা অনুমোদিত আই টি আইৰ পৰা ৱায়াৰমেন / ইলেকট্ৰিচিয়ান / ফিটাৰ / ৱেল্ডাৰ / মেচিনিষ্ট শাখাত চাৰ্টিফিকেট।

বয়সৰ সীমাঃ
ক) ০১.০১.২০১৮ তাৰিখত ১৮ ৰ পৰা ৪৪ বছৰ
খ) অ বি চি / এম অ বি চিৰ প্ৰাৰ্থীৰ ক্ষেত্ৰত, বয়সৰ উচ্চ সীমা ৪৭ বছৰলৈ ৰেহাই দিয়া হ'ব।
গ) এছ চি / এছ টি প্ৰাৰ্থীৰ ক্ষেত্ৰত, বয়সৰ উচ্চ সীমা ৪৯ বছৰলৈ ৰেহাই দিয়া হ'ব।
ঘ) বিভাগীয় প্ৰাৰ্থীৰ ক্ষেত্ৰত, বয়সৰ উচ্চ সীমা ৪৫ বছৰলৈ ৰেহাই দিয়া হ'ব।

ক) ব্যৱহাৰ কৰা সংক্ষিপ্তকৰণঃ ইউ আৰ – আনৰিজাৰ্ভড (অসংৰক্ষিত), অ বি চি – আডাৰ বেকৱাৰ্ড ক্লাছ; এম অ বি চি – ম'ৰ আডাৰ বেকৱাৰ্ড ক্লাছ; এছ চি – ছিডিউল্ড কাষ্ট (অনুসূচীত জাতি), এছ টি (পি) – ছিডিউল্ড ট্ৰাইব – প্লেইন (অনুসূচীত জনজাতি -সমভূমি), এছ টি (এইচ) – ছিডিউল্ড ট্ৰাইব – হিলছ (অনুসূচীত জনজাতি - পাহাৰ), পি ডব্লিউ ডি – পাৰ্ছন উইথ ডিছএবিলিটি (অক্ষমতা থকা ব্যক্তি), এল ডি - লকো মটৰ ডিছএবিলিটি (চলাফুৰা কৰাত অক্ষমতা), এইছ আই – হিয়েৰিং ইম্পেয়াৰমেন্ট (শুনাত অসুবিধা থকা ব্যক্তি), বি এল – বেকলগ।

খ) পি ডব্লিউ ডিৰ (পাৰ্ছন উইথ ডিছএবিলিটি) সংজ্ঞাঃ 'পাৰ্ছনছ উইথ ডিছএবিলিটিজ (ইকুৱেল অপৰছুনিটিজ, প্ৰটেকছন অব ৰাইট এণ্ড ফুল পাৰ্টিচিপেছন) এক্ট, ১৯৯৫ ৰ ৩৩ নম্বৰ অনুচ্ছেদ মতে এই ক্ষেত্ৰত সংৰক্ষণৰ বাবে সেইসকল লোকহে যোগ্য হ'ব, যিসকলৰ কমেও ৪০% প্ৰাসংগিক ডিছএবিলিটি আছে আৰু সেই সম্পৰ্কত কেন্দ্ৰীয় বা ৰাজ্যিক চৰকাৰে গঠন কৰি দিয়া মেডিকেল বৰ্ডে প্ৰমাণপত্ৰ দিছে। এই সুবিধা লব খোজা প্ৰাৰ্থীসকলে নথিপত্ৰ পৰীক্ষণ / শাৰীৰিক দক্ষতা পৰীক্ষাৰ সময়ত (যদিহে আমন্ত্ৰিত হয়) উপযুক্ত কৰ্তৃপক্ষই দিয়া মূল প্ৰমাণপত্ৰ প্ৰদৰ্শন কৰিব লাগিব।

গ) আবেদন মাচুল (অপ্ৰত্যৰ্পণীয়): অসংৰক্ষিত / অ বি চি / এম অ বি চি প্ৰাৰ্থীসকলৰ বাবে ৫০০.০০ টকা আৰু এছ চি / এছ টি প্ৰাৰ্থীৰ বাবে ২৫০.০০ টকা। পি ডব্লিউ ডি প্ৰাৰ্থীয়ে কোনো মাচুল দিব নালাগে। প্ৰাৰ্থীসকলে নেট বেংকিং / ক্ৰেডিট কাৰ্ড / ডেবিট কাৰ্ডৰ সহায়ত অনলাইনযোগে আবেদন মাচুল পৰিশোধ কৰিব পাৰিব।

ঘ) আন প্ৰতিবন্ধসমূহঃ
(i) প্ৰাৰ্থীজন ভাৰতীয় নাগৰিক হ'ব লাগিব আৰু অসমত স্থায়ীভাবে বসবাস কৰা হ'ব লাগিব। অসমীয়া আৰু / বা আন স্থানীয় ভাষাত ব্যুৎপত্তি থকা প্ৰাৰ্থীক অগ্ৰাধিকাৰ দিয়া হ'ব। নথিপত্ৰ পৰীক্ষণ / শাৰীৰিক দক্ষতা পৰীক্ষাৰ সময়ত (যদিহে আমন্ত্ৰিত হয়) অসমত স্থায়ীভাবে বসবাস কৰাৰ প্ৰমাণ দিব লাগিব।
(ii) এছ চি / এছ টি / অ বি চি / পি ডব্লিউ ডি আদি শাখাৰ ক্ষেত্ৰত উপযুক্ত কৰ্তৃপক্ষই দিয়া প্ৰমাণপত্ৰহে গ্ৰহণ কৰা হ'ব।
(iii) চৰকাৰী / অৰ্ধচৰকাৰী / ৰাজহুৱা খণ্ডত কাম কৰা প্ৰাৰ্থীসকলে নথিপত্ৰৰ পৰীক্ষণ / শাৰীৰিক দক্ষতা পৰীক্ষাৰ সময়ত (যদিহে আমন্ত্ৰিত হয়) বৰ্তমানৰ নিয়োগকৰ্তাৰ পৰা 'আপত্তিহীনতাৰ প্ৰমাণপত্ৰ' (এন অ চি) দাখিল কৰিব লাগিব। সেয়া নহ'লে শাৰীৰিক সক্ষমতা পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ দিয়া নহ'ব।
(iv) বিভাগীয় প্ৰাৰ্থীসকলে (এ পি ডি চি এল / এ ই জি চি এল / এ পি জি চি এলত কৰ্মৰত প্ৰাৰ্থী) সম্পৰ্কিত কৰ্তৃপক্ষৰ পৰা 'আপত্তিহীনতাৰ প্ৰমাণপত্ৰ' (এন অ চি) দাখিল কৰিব লাগিব।
(v) যিবোৰ ক্ষেত্ৰত চি জি পি এ / অ জি পি এ / জি পি এ বা লেটাৰ গ্ৰেড দিয়া হয়, সেই ক্ষেত্ৰত প্ৰাৰ্থীয়ে অনলাইন আবেদন-পত্ৰত সমপৰ্য্যায়ৰ শতাংশ নম্বৰ উল্লেখ কৰিব লাগিব আৰু সেয়া বিশ্ববিদ্যালয় / শিক্ষানুষ্ঠানৰ আনুষ্ঠানিক বিধি অনুসৰি হ'ব লাগিব। প্ৰাৰ্থীয়ে নথিপত্ৰৰ পৰীক্ষণ / শাৰীৰিক দক্ষতা পৰীক্ষাৰ সময়ত (যদিহে আমন্ত্ৰিত হয়) আবেদন পত্ৰৰ এটা ছপা কৰা কপিৰ লগতে সেই লিখিত বিধিৰো এটা নকল দিব লাগিব। যদি কোনো বিধি নাথাকে, তেন্তে চি জি পি এ / অ জি পি এ / জি পি এ ক ১০ ৰে পূৰণ কৰি তাৰ যোগফলৰ পৰা ৫ বিয়োগ দিয়া হ'ব।

ঙ) বাচনি প্ৰক্ৰিয়াঃ প্ৰাৰ্থীসকলে এক লিখিত পৰীক্ষাত বহিব লাগিব আৰু সেই পৰীক্ষাৰ তাৰিখ সময়মতে জনোৱা হ'ব। লিখিত পৰীক্ষাত তলত উল্লেখ কৰা ধৰণৰ প্ৰশ্ন কাকত দিয়া হ'ব আৰু মুঠ নম্বৰ হ'ব - এশ। সহকাৰী গাণনিক বিষয়া / অফিচ তথা ফিল্ড এছিষ্টেন্ট পদৰ ক্ষেত্ৰত যিসকল প্ৰাৰ্থী লিখিত পৰীক্ষাত উত্তীৰ্ণ হ'ব, সেই সকলক নথিপত্ৰৰ পৰীক্ষণৰ বাবে মতা হ'ব। সহায়কৰ ক্ষেত্ৰত যিসকল প্ৰাৰ্থী লিখিত পৰীক্ষাত উত্তীৰ্ণ হ'ব, সেই সকলক নথিপত্ৰৰ পৰীক্ষণ / শাৰীৰিক দক্ষতা পৰীক্ষালৈ মতা হ'ব। চূড়ান্ত বাচনি কেৱল লিখিত পৰীক্ষাৰ নম্বৰৰ ওপৰত ভিত্তি কৰিহে কৰা হ'ব। লিখিত পৰীক্ষা / শাৰীৰিক দক্ষতাৰ পৰীক্ষাৰ বাবে কোনো ভ্ৰমণ বানচ / ডি এ আদি দিয়া নহ'ব। লিখিত পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ যোগ্যতা আৰু আন ক্ষেত্ৰত বাচনি ব'ৰ্ড / কমিটিৰ সিদ্ধান্তই বাহাল থাকিব। চূড়ান্ত বাচনি তালিকাত কোনো প্ৰাৰ্থীৰ নাম প্ৰকাশ পালেও সি এই কথা নুসূচাব যে তেওঁ চাকৰি লাভ কৰিবই।

নিযুক্তি দিয়াৰ দায়িত্বত থকা কৰ্তৃপক্ষ যেতিয়ালৈকে এই কথাত পতিয়ন নাযায় যে সেইজন প্ৰাৰ্থী সকলো প্ৰকাৰে সেই পদটোৰ বাবে উপযুক্ত, তেতিয়ালৈকে প্ৰাৰ্থীজনক নিযুক্তি পত্ৰ প্ৰদান কৰা নহ'ব।

সহায়ক পদৰ বাবে আবেদন কৰা কোনো প্ৰাৰ্থী যদি শাৰীৰিক দক্ষতাৰ পৰীক্ষাত উত্তীৰ্ণ নহয়, তেন্তে তেওঁক চাকৰিৰ বাবে বাচনি কৰা নহ'ব।

লঘু যান চালক পদৰ ক্ষেত্ৰত প্ৰাৰ্থীসকল লিখিত পৰীক্ষাৰ উপৰি এক ব্যৱহাৰিক পৰীক্ষাতো অৱতীৰ্ণ হ'ব লাগিব আৰু সেই বিষয়ে সময়মতে জনোৱা হ'ব।

<u>চ) পৰীক্ষাৰ বাবে পাঠ্যক্ৰম</u>

| ক্ৰ নং | পদৰ নাম | পাঠ্যক্ৰম | নম্বৰ | প্ৰশ্নৰ ধৰণ | সময় |
|---|---|---|---|---|---|
| ১ | সহকাৰী গাণনিক বিষয়া | প্ৰথম অংশঃ সাধাৰণ ইংৰাজী, সাধাৰণ জ্ঞান, সাধাৰণ দক্ষতা (Aptitude), কম্পিউটাৰসম্পৰ্কীয় প্ৰাথমিক জ্ঞান আৰু দশম শ্ৰেণীৰ পৰ্য্যায়ৰ সাধাৰণ গণিত | ৫০ | বস্তুনিষ্ঠ (Objective) প্ৰকাৰ, কেবাটাও উত্তৰৰ মাজৰ পৰা শুদ্ধ উত্তৰ বাচনি (Multiple Choice) | ২ ঘন্টা |
| | | দ্বিতীয় অংশঃ ডিগ্ৰী পৰ্য্যায়ৰ একাউন্টেন্সী, পৰিসংখ্যা বিজ্ঞান / গণিত | ৫০ | | |
| ২ | অফিচ তথা ফিল্ড এচিষ্টেন্ট | সাধাৰণ ইংৰাজী, সাধাৰণ জ্ঞান, সাধাৰণ দক্ষতা (Aptitude), কম্পিউটাৰসম্পৰ্কীয় প্ৰাথমিক জ্ঞান আৰু দশম শ্ৰেণীৰ পৰ্য্যায়ৰ সাধাৰণ গণিত | ১০০ | | |
| ৩ | লঘু যান চালক | প্ৰথম অংশঃ সাধাৰণ ইংৰাজী, সাধাৰণ জ্ঞান, সাধাৰণ দক্ষতা (Aptitude), আৰু দশম শ্ৰেণীৰ পৰ্য্যায়ৰ সাধাৰণ গণিত | ৫০ | বস্তুনিষ্ঠ (Objective) প্ৰকাৰ, কেবাটাও উত্তৰৰ মাজৰ পৰা শুদ্ধ উত্তৰ বাচনি (Multiple Choice) | ২ ঘন্টা |
| | | দ্বিতীয় অংশঃ গাড়ীচালনাৰ লগত সম্পৰ্কিত বিষয় | ৫০ | | |
| ৪ | সহায়ক | প্ৰথম অংশঃ সাধাৰণ ইংৰাজী, সাধাৰণ জ্ঞান, সাধাৰণ দক্ষতা (Aptitude), আৰু দশম শ্ৰেণীৰ পৰ্য্যায়ৰ সাধাৰণ গণিত | ৫০ | | |
| | | দ্বিতীয় অংশঃ মূল আই টি আই বিষয় (ইলেকট্ৰিচিয়ান / ৱায়াৰমেন / ৱেল্ডাৰ / ফিটাৰ / মেচিনিষ্ট | ৫০ | | |

- প্ৰশ্নসমূহ কেবাটাও উত্তৰৰ মাজৰ পৰা শুদ্ধ উত্তৰ বাচি উলিয়াবলগীয়া বস্তুনিষ্ঠ (Objective) প্ৰকাৰৰ হ'ব।
- শুদ্ধ উত্তৰৰ বাবে ১ নম্বৰ থাকিব।
- প্ৰতিটো ভুল উত্তৰৰ বাবে ০.২৫ নম্বৰ (এক চতুৰ্থাংশ) কটা যাব।
- পৰীক্ষা হলত কেলকুলেটৰ, মবাইল ফোন আৰু আন কোনো ইলেকট্ৰনিক উপকৰণ ব্যৱহাৰ কৰিবলৈ দিয়া নহ'ব।
- বিস্তৃত নিৰ্দেশনা, অৱস্থান, পৰীক্ষাৰ ধৰণ আৰু স্থান আদি প্ৰৱেশ পত্ৰত (Admit Card) উল্লেখ থাকিব।

<u>ছ) পাৰিতোষিকঃ</u> চূড়ান্ত বাচনি লাভ কৰি নিযুক্তি পোৱা প্ৰাৰ্থীয়ে যোগদান কৰাৰ তাৰিখৰ পৰা দুবছৰৰ বাবে 'প্ৰবেছন পিৰিয়ড'ত থাকিব আৰু প্ৰথম বছৰত তলত দিয়া ধৰণে প্ৰাথমিক দৰমহা (স্কেল + গ্ৰেড পে) পাব।

| ক্ৰ নং | পদৰ নাম | পে' বেণ্ড (টকা) | গ্ৰেড পে' (টকা) |
|---|---|---|---|
| ১ | সহকাৰী গাণনিক বিষয়া | ১৬,৮০০ – ৬০,৫০০ | ৮,৭০০ |
| ২ | অফিচ তথা ফিল্ড এচিষ্টেন্ট | ১৬,৮০০ – ৬০,৫০০ | ৫,৮০০ |
| ৩ | লঘু যান চালক | ১২,৪০০ – ৪৭,৪০০ | ৫,৫০০ |
| ৪ | সহায়ক | ১২,৪০০ – ৪৭,৪০০ | ৪৫০০ |

জ) কেনেকৈ আবেদন কৰিবঃ যোগ্য আৰু আগ্ৰহী প্ৰাৰ্থীয়ে এ পি ডি চি এলৰ ৱেবছাইটৰ (www.apdcl.org) ‘Career’ শাখালৈ গৈ কেৱল অনলাইন ম’ডতহে আবেদন কৰিব পাৰিব। আন কোনো উপায় / ম’ড গ্ৰহণ কৰা নহ’ব। ১৮.০৮.২০১৮ৰ পৰা ১২.০৯.২০১৮ তাৰিখৰ ভিতৰতহে অনলাইন আবেদন কৰিব পৰা যাব।

এ পি ডি চি এলৰ ৱেবছাইটত তেওঁলোকৰ আবেদন পূৰণ কৰোতে প্ৰাৰ্থীসকলে বয়স, জাতি, জনজাতি, শৈক্ষিক অৰ্হতা, ঠিকনা, আন অৰ্হতা, সম্পৰ্কিত কৰ্ম অভিজ্ঞতা আদিসম্পৰ্কীয় প্ৰয়োজনীয় তথ্যসমূহ সঠিক স্থানত বহুৱাই আপল’ড কৰিব লাগিব আৰু লগতে স্কেন কৰা শেহতীয়া ৰঙীণ ফটোগ্ৰাফ আৰু চহীও আপল’ড কৰিব লাগিব। আবেদন প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পাছত আবেদন পত্ৰৰ এক প্ৰিন্ট আউট প্ৰাৰ্থীসকলে নিজৰ লগত ৰাখিব। নথিপত্ৰৰ নিৰীক্ষণ / শাৰীৰিক সক্ষমতাৰ পৰীক্ষাৰ সময়ত (যদিহে আমন্ত্ৰিত হয়) প্ৰাৰ্থীসকলে সেই প্ৰিন্ট আউট, নিজে এটেষ্ট কৰা নথিপত্ৰসমূহ আৰু মূল প্ৰমাণপত্ৰ আদি দাখিল কৰিব লাগিব।

ঝ) পূৰ্বচৰ্তসমূহঃ

- আবেদন কৰাৰ আগতে প্ৰাৰ্থীসকলক বিজ্ঞাপনৰ সাৱধানেৰে পঢ়ি লবলৈ আৰু তেওঁলোকৰ সেই যোগ্যতা আছে নে নাই, সেয়া জানি লবলৈ পৰামৰ্শ দিয়া হ’ল।
- প্ৰাৰ্থীৰ অনলাইন ৰেজিষ্ট্ৰেছন কেৱল সাময়িক হ’ব আৰু নথিপত্ৰৰ নিৰীক্ষণ / শাৰীৰিক সক্ষমতাৰ পৰীক্ষাৰ সময়ত (যদিহে আমন্ত্ৰিত হয়) তাৰ সত্যাপন কৰা হ’ব। কোনো প্ৰাৰ্থীক প্ৰৱেশ পত্ৰ, কল লেটাৰ আদি দিয়াটোৱে এইটো নুবুজাব যে সেই প্ৰাৰ্থীজনক সেই পদৰ বাবে গ্ৰহণ কৰা হৈছে। সমুচিত কাৰণত এজন প্ৰাৰ্থীৰ প্ৰাৰ্থিত্ব যি কোনো পৰ্য্যায়তে বাতিল কৰা হ’ব পাৰে। আনকি নিযুক্তিপত্ৰ পাই চাকৰিত যোগদান কৰাৰ পাছতো সেয়া হ’ব পাৰে, যদিহে তেওঁ দিয়া তথ্য শুদ্ধ বা যথোচিত নহয় বুলি প্ৰমাণিত হয়।
- প্ৰাৰ্থীজনে তেওঁৰ নিজৰ এটা মবাইল নম্বৰ দিব লাগিব, যিটো অন্ততঃ এবছৰৰ বাবে কাৰ্য্যকৰী হৈ থাকিব লাগিব। পৰীক্ষাৰ সূচী / প্ৰৱেশ পত্ৰ / লিখিত পৰীক্ষাৰ ফলাফল / নথিপত্ৰৰ পৰীক্ষণ / শাৰীৰিক দক্ষতা পৰীক্ষাৰ সূচী আৰু কল লেটাৰ / চূড়ান্ত বাচনিৰ খবৰ আদি এ পি ডি চি এলৰ ৱেবছাইটত প্ৰকাশ কৰা হ’ব।
- পূৰণ কৰা আবেদন পত্ৰ ডাউনল’ড কৰি প্ৰিন্ট কৰা, লিখিত পৰীক্ষাৰ বাবে প্ৰৱেশ পত্ৰ ডাউনল’ড কৰা, নথিপত্ৰৰ নিৰীক্ষণ / শাৰীৰিক দক্ষতা পৰীক্ষাৰ বাবে কল লেটাৰ ডাউনল’ড কৰা আৰু লগতে আন কোনো তথ্য ডাউন’ল’ড কৰা আদি কাম প্ৰাৰ্থীৰ দায়িত্বত থাকিব।
- আবেদন কৰাৰ আগতে প্ৰাৰ্থীয়ে শেহতীয়া ৰঙীণ ফটোৰ স্কেন কৰা ছফট কপি (আকাৰ - নিম্নতম ২০ কে বি আৰু সৰ্বোচ্চ ১০০ কে বি, ৰিজলিউছন - নিম্নতম ২০০ x ২০০ পিক্সেল আৰু সৰ্বোচ্চ ২৫০ x ২৫০ পিক্সেল) আৰু চহীৰ স্কেন কৰা ছফট কপি (আকাৰ – নিম্নতম ১০ কে বি আৰু সৰ্বোচ্চ ১০০ কে বি, ৰিজলিউছন – নিম্নতম ২০০ x ৪০ পিক্সেল আৰু সৰ্বোচ্চ ২৫০ x ৬০ পিক্সেল) সাজু কৰি ৰাখিব। দুয়োটাৰে স্কেন কেৱল .jpg/.jpeg/.png ফৰ্মেটত কৰিলেহে আপল’ড কৰিব পৰা যাব।

ঞ) সাধাৰণ নিৰ্দেশনা

- অনলাইন আবেদন কেৱল ডেস্কটপ ব্ৰাউজাৰৰ সহায়তহে কৰিব লাগিব। স্মাৰ্ট ফোন বা আন মবাইল ব্ৰাউজাৰেৰে অনলাইন আবেদন কৰিলে ত্ৰুটি হোৱাৰ সম্ভাৱনা আছে।
- এ পি ডি চি এলৰ ৱেবছাইটত ‘ইনষ্ট্ৰাকচন ফৰ ফিলিং আউট অনলাইন ফৰ্ম’ চাই ল’ব লাগিব।
- প্ৰাৰ্থীৰ নামৰ বানান, আই ডি প্ৰুফত দিয়াৰ দৰে হ’ব লাগিব। আই ডি প্ৰুফৰ বাবে স্বীকৃত প্ৰমাণসমূহ হ’ল - চৰকাৰীভাৱে স্বীকৃত বিদ্যালয় / মহাবিদ্যালয়ৰ মাৰ্ক শ্বীট / পাছ চাৰ্টিফিকেট, পেন কাৰ্ড, পাছপৰ্ট, বেংকৰ পাছবুক, ভোটাৰ আই ডি, আধাৰ কাৰ্ড আৰু মহাবিদ্যালয় / শিক্ষানুষ্ঠানৰ আই ডি কাৰ্ড।
- বাচনি প্ৰক্ৰিয়াৰ কোনো পৰ্য্যায়ত যদি কোনো প্ৰাৰ্থীয়ে কোনো সংশ্লিষ্ট পদ্ধতি বা ব্যক্তিক প্ৰভাৱিত কৰাৰ চেষ্টা কৰে, তেন্তে সেইজনৰ প্ৰাৰ্থিত্ব লগে লগে বাতিল কৰা হ’ব।
- যদি কোনো পৰ্য্যায়ত এই কথা ধৰা পৰে যে কোনো প্ৰাৰ্থীয়ে ভুল / বিকৃত তথ্য দিছে, তেন্তে তেতিয়াই তেওঁৰ প্ৰাৰ্থিত্ব বাতিল কৰা হ’ব।
- কোম্পানীয়ে কোনো কাৰণ প্ৰদৰ্শন নকৰাকৈ কোনো পদ বা সকলো পদৰ নিযুক্তি স্থগিত ৰাখিব পাৰিব বা বাতিল কৰিব পাৰিব।
- প্ৰাৰ্থীৰ অৰ্হতা, গ্ৰহণযোগ্যতা, আবেদন প্ৰত্যাখান কৰা, কল লেটাৰ প্ৰেৰণ কৰা, প্ৰমাণপত্ৰসমূহৰ সত্যাপন, যোগ্য প্ৰাৰ্থীৰ বাচনি আদি সকলো ক্ষেত্ৰত বাচনি ব’ৰ্ড / কমিটিৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত হ’ব। নিৰ্বাচিত প্ৰাৰ্থীয়ে তেওঁক কৰা বাচনি গ্ৰহণ কৰিব লাগিব আৰু এই সংক্ৰান্তত কোনো অনুসন্ধান বা যোগাযোগ গ্ৰাহ্য কৰা নহ’ব।
- প্ৰাৰ্থীৰ হাতত আবেদন পত্ৰৰ এটা প্ৰিন্ট আউট থাকিব লাগিব আৰু নথিপত্ৰৰ পৰীক্ষণ / শাৰীৰিক দক্ষতা পৰীক্ষাৰ সময়ত (যদিহে আমন্ত্ৰিত হয়) সেয়া দাখিল কৰিব লাগিব।
- অনলাইন আবেদনসম্পৰ্কত কোনো কথা জানিব খুজিলে প্ৰাৰ্থীয়ে তেওঁলোকৰ প্ৰশ্ন recruitment@apdcl.org লৈ পঠিয়াব পাৰিব।